**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১১। দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত সৰুসজাইত প্ৰায় ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্যৰ অনুষ্ঠান।

২। পশ্চিমবংগৰ হাওৰা আৰু অসমৰ কামাখ্যা সংযোগী নতুন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ কাইলৈ প্ৰধানমন্ত্ৰীৰ শুভাৰম্ভ।

৩। পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ কাৰ্যসূচী।

আৰু

৪। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষিকা ফৌজিয়া ৰহমানৰ দেহাৱসান।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও কালি আবেলি সৰুসজাইত উপস্থিত হৈ বাগৰুম্বা নৃত্যৰ আখৰাৰ লগতে সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়।

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ কাইলৈ হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্নৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০০

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ হাওৰা আৰু অসমৰ কামাখ্যা সংযোগী নতুন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ কাইলৈ শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ীখন হৈছে দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লিপাৰ ৰে'ল। ১৬টা দবা বিশিষ্ট ৰে'লগাড়ীখনত ৮৩৩ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। ইয়াৰ ফলত যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ লগতে কামৰূপ মহানগৰ, বঙাইগাঁও আৰু কোচবিহাৰৰ দৰে অঞ্চলসমূহত বাণিজ্য, পৰ্যটন আৰু সামাজিক-অৰ্থনৈতিক বিকাশত সহায় হ'ব।

০০০০০০০

কামৰূপ জিলাৰ পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিৰ ৩৬ হাজাৰ ৫১ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব। তেওঁ লগতে বিহদিয়া জাজিকোণা আঞ্চলিক ৰাস উদযাপন থলীত আয়োজিত অনুষ্ঠানত কমলপুৰ সমষ্টিৰ ৩২ হাজাৰ ৮০৪ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰিব।

০০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান শিলডুবি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০০খন বিছনাযুক্ত শিক্ষাৰ্থী আবাসৰ আজি স্থানীয় পাৰিষদ পৱন কুমাৰে আধাৰশিলা স্থাপন কৰে। ধৰিত্ৰী আবা জনজাতীয় উৎকৰ্ষ গ্ৰাম অভিযান আঁচনিৰ জৰিয়তে প্ৰায় ৩ কোটি ৭৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই আবাসটিত ভালেখিনি সা-সুবিধা থাকিব। ইয়াৰ উপৰি ৭ নম্বৰ কপিলী পৰিষদীয় সমষ্টিৰ এই অগ্ৰণী শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী আবাসে শিক্ষাৰ গুণগত মান উন্নত কৰাত অধিক সহায় কৰিব বুলি পৱন কুমাৰে প্ৰকাশ কৰে।

০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষিকা ফৌজিয়া ৰহমানৰ আজি নিচেই পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী কেন্দ্ৰসমূহৰ প্ৰথমগৰাকী ইংৰাজী ভাষাৰ ঘোষিকা হিচাপে নিযুক্তি লাভ কৰা ফৌজিয়া ৰহমান বিশেষকৈ উজনি অসমৰ শ্ৰোতাসকলৰ মাজত ইফি বাইদেউ হিচাপে পৰিচিত আছিল। অবিভক্ত অসমৰ ৰাজধানী শ্বিলঙত স্কুলীয়া আৰু কলেজীয়া শিক্ষা সাং কৰি তেওঁ যোৱা শতিকাৰ সপ্তম দশকৰ আগভাগত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত ঘোষিকা হিচাপে যোগদান কৰে। ইয়াৰ পাছত প্ৰায় দুই দশক জুৰি তেওঁ আকাশবাণী ডিব্ৰুগড়ৰ পশ্চিমীয়া সংগীত অনুষ্ঠানৰ ঘোষিকা হিচাপে অনুষ্ঠান পৰিৱেশন কৰি শ্ৰোতাক মুগ্ধ কৰিছিল। জনপ্ৰিয় ঘোষক চৈয়দ চাদুল্লাৰ সৈতে ফৌজিয়া ৰহমানে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা ইংৰাজী ভাষাত কেইবাটাও জনপ্ৰিয় অনুষ্ঠান প্ৰযোজনা কৰিছিল। তেওঁৰ স্বামী ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ আলফ্ৰেড ৰহমানৰ মৃত্যুৰ পাছত ফৌজিয়া ৰহমানে গুৱাহাটীত বসতি কৰিবলৈ লৈছিল। ফৌজিয়া ৰহমানৰ নশ্বৰ দেহ

আজি গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ নিয়া হৈছে আৰু তাতেই তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব। জনপ্ৰিয় ঘোষিকাগৰাকীৰ মৃত্যুত ৰাজ্যখনৰ শিল্পী, কলা-কুশলীৰ লগতে বিভিন্নজনে শোকপ্ৰকাশ কৰিছে।

০০০০০০০০

ভোগালী বিহুৰ আনন্দৰ মাজতে ডিব্ৰুগড় জিলাৰ লাহোৱালৰ মদাৰখাট মৌজাৰ দুই নম্বৰ চিৰিংহোল গাঁৱত যোৱানিশা অগিকাণ্ড সংঘটিত হয়। গাঁওখনৰ শেখৰ কৈৰী নামৰ লোকজনৰ বাসগৃহ অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ যায়। বৰ্তমানলৈকে অগ্নিকাণ্ড সংঘটিত হোৱাৰ কাৰণ জানিব পৰা হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

অহা ২৬ জানুৱাৰীত নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাগ ল'বলগীয়া অসমৰ প্ৰতীকপটযোগে ধুবুৰী জিলাৰ আশাৰীকান্দি গাঁৱৰ পোৰা মাটিৰ শিল্প প্ৰদৰ্শন কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে সাজি উলিওৱা এই প্ৰতীকপটৰ জৰিয়তে আশাৰীকান্দি শিল্পীসকলৰ দৈনন্দিন জীৱন, তেওঁলোকৰ আহিলাপাতি কেঁচা সামগ্ৰী আৰু উৎপাদিত সামগ্ৰীৰ লগতে ৰাজ্যৰ গ্ৰামাঞ্চলৰ সৈতে জড়িত সাংস্কৃতিক উপাদানসমূহ প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটৰ বাবে আনুমানিক ৪৫ৰ পৰা ৫০ লাখ টকা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে ধুবুৰীৰ দেৱীতোলা উন্নয়ন খণ্ডৰ অন্তৰ্গত আশাৰীকান্দি নামৰ সৰু গাঁওখন মৃৎ শিল্পৰ বাবে বিখ্যাত।

০০০০০০০

———অহা ১৮ ৰ পৰা ২৮ জানুৱাৰীলৈ মাজুলীৰ আউনীআটি সত্ৰৰ মণিকাঞ্চন ক্ষেত্ৰত অসম ভাওনা সমাৰোহ অনুষ্ঠিত হ'ব। দহদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই ভাওনা সমাৰোহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই ভাওনা সমাৰোহত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২০ খন নিৰ্বাচিত প্ৰতিযোগিতামূলক আৰু তিনিখন প্ৰদৰ্শনীমূলক ভাওনা প্ৰদৰ্শন কৰা হ'ব। ২০০৬ চনৰ পৰা অনুষ্ঠিত হোৱা এই দ্বিবাৰ্ষিক ভাওনা সমাৰোহত এইবাৰ প্ৰথমদিনা ৫০০ সূত্ৰধাৰৰ নৃত্য প্ৰদৰ্শন কৰা হ'ব। সমাৰোহত দিনৰ ভাগত শিশু-মহিলাসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

হোজাই জিলাৰ লংকা ৰে'ল ষ্টেচনত শিলচৰ-ৰঙিয়া নামনিমুৱা ৰে'লৰ পৰা পৰি এজন যুৱকৰ আজি মৃত্যু হয়। মৃত যুৱকজন শ্ৰীভূমি জিলাৰ ৰূপম হাজৰিকা বুলি জানিব পৰা গৈছে। শ্ৰীভূমিৰ পৰা ৰে'লেৰে চাপৰমুখত নামি চাপৰমুখৰ পৰা গাড়ীৰে বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এক শৰণ নামধৰ্মৰ অধিবেশনলৈ অহা ১২জনীয়া দল এটিৰ লগতে এই যুৱকজন আহিছিল বুলি আমাৰ হোজাই সংবাদদাতাই জনাইছে। যুৱকজনে ৰে'লৰ দৰ্জাৰ মুখত মুখ ধুই থাকোতে ৰে'লৰ পৰা পৰি মৃত্যু হয় বুলি প্ৰত্যক্ষদৰ্শীসকলে জনাইছে। বৰ্তমান যুৱকজনৰ মৃতদেহ লংকা ৰে'ল আৰক্ষীয়ে উদ্ধাৰ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

০০০০০০০

**সমাপ্ত**